Total No. of Printed Pages—12

**X/25/As (NC)**

**2025**

**ASSAMESE**

( INDIAN LANGUAGE )

**( New Course )**

**( FOR REGULAR CANDIDATES )**

*Full Marks* : 80

*Pass Marks* : 24

*Time* : 3 hours

*General Instructions* :

(i) Please check that this Question Paper contains **46** questions.

(ii) 15 minutes time is given for the candidates to read the Question Paper. The Question Paper will be distributed 15 minutes before the scheduled time of the examination. In these 15 minutes, the candidates should only read the instructions and questions carefully and should not write answers on the Answer Sheet.

(iii) The candidates are advised to attempt all questions.

(iv) Marks allotted to every question are indicated against each.

(v) **Section—A** contains Multiple Choice Questions (MCQ). Choose the most appropriate answer from the given options. The answers to this Section must be given in the boxes provided in the Answer Sheet.

## SECTION—A / বিভাগ—ক

( *মূল্যাংক* : ৩০ )

তলত দিয়াবোৰৰ শুদ্ধ উত্তৰটো বাচি উত্তৰ-বহীত লিখা (**সকলো** প্ৰশ্ন বাধ্যতামূলক) :

১×৩০=৩০

১। 'ভাৰতীয় সংস্কৃতি' পাঠটোৰ ৰচক কোন?

(ক) সত্যনাথ বৰা

(খ) হেম বৰুৱা

(গ) ড০ হেমন্ত কুমাৰ শৰ্মা

(ঘ) ৰবীন্দ্ৰনাথ গোস্বামী

২। সভ্যতা আৰু সংস্কৃতিৰ মাজত পাৰ্থক্য

(ক) আছে

(খ) নাই

(গ) সামান্য আছে

(ঘ) ওপৰৰ এটাও নহয়

৩। আৰ্যৰ বেদত কোন পূজাৰ উল্লেখ নাই?

(ক) দেৱী পূজাৰ

(খ) সৰস্বতী পূজাৰ

(গ) গণেশ পূজাৰ

(ঘ) কালী পূজাৰ

৪। তলৰ কোনটো কবিতা কীটছে লিখিছিল?

(ক) 'স্কাইলাৰ্ক'

(খ) 'গ্ৰেছিয়ান আৰ্ণ'

(গ) 'ডেফোডিল'

(ঘ) 'উই আৰ চেভেন'

৫। 'অদৃশ্য' শব্দৰ অৰ্থ হৈছে

(ক) দুৰ্ভাগ্য

(খ) দুৰ্ভগীয়া

(গ) ভাগ্য

(ঘ) বিৰামহীন

৬। হেম বৰুৱাৰ জন্ম হৈছিল

(ক) শিৱসাগৰত

(খ) যোৰহাটত

(গ) তেজপুৰত

(ঘ) বৰপেটাত

৭। তাজমহল ক'ত অৱস্থিত?

(ক) মুম্বাই

(খ) কেৰেলা

(গ) তামিলনাডু

(ঘ) আগ্ৰা

৮। তলৰ কোনগৰাকী মোগল সম্ৰাট?

(ক) চুকাফা

(খ) লাচিত বৰফুকন

(গ) বাবৰ

(ঘ) ওপৰৰ এগৰাকীও নহয়

৯। পুৰণি সাহিত্যত কি ভাৱ আছিল?

(ক) ভক্তিভাৱ

(খ) উগ্ৰভাৱ

(গ) বিভেদভাৱ

(ঘ) শাক্তভাৱ

১০। 'কীৰ্ত্তন ঘোষা' কোনে ৰচনা কৰিছিল?

(ক) মাধৱদেৱে

(খ) শংকৰদেৱে

(গ) দুৰ্গাবৰে

(ঘ) মাধৱ কন্দলিয়ে

১১। 'নামঘোষা' কোনে ৰচনা কৰিছিল?

(ক) মাধৱদেৱে

(খ) শংকৰদেৱে

(গ) মাধৱ কন্দলিয়ে

(ঘ) আজান ফকিৰে

১২। 'বালিছন্দা' পুথিখনৰ ৰচক কোন?

(ক) হীৰেন ভট্টাচাৰ্য

(খ) হেম বৰুৱা

(গ) সত্যনাথ বৰা

(ঘ) হেমচন্দ্ৰ গোস্বামী

১৩। 'অসামঞ্জস্য' শব্দটোৰ অৰ্থ হ'ল

(ক) সাদৃশ্য থকা

(খ) সাদৃশ্য নথকা

(গ) সদস্য হোৱা

(ঘ) সমান হোৱা

১৪। ''নতুন যুগৰ ভাৰতীয় সংস্কৃতি সমন্বয়ৰ বস্তু হ'ব লাগে।'' কোনে কৈছিল?

(ক) হেম বৰুৱাই

(খ) গান্ধীজীয়ে

(গ) সুভাষচন্দ্ৰ বসুৱে

(ঘ) ৰবীন্দ্ৰনাথে

১৫। গ্ৰীকসকলৰ হাতত কোন পৰাজিত হৈছিল?

(ক) মাইকেনিয়ান

(খ) ইহুদী

(গ) অসমীয়া

(ঘ) নেপালী

১৬। 'গ'থিক' গীৰ্জাসমূহ ক'ত অৱস্থিত?

(ক) ভাৰতবৰ্ষত

(খ) নেপালত

(গ) ইউৰোপত

(ঘ) আফ্ৰিকাত

১৭। ‘পাৰস্যত এভুমুকি’ পাঠটোৰ ৰচক কোন?

(ক) ৰবীন্দ্ৰনাথ গোস্বামী

(খ) হেম বৰুৱা

(গ) সত্যনাথ বৰা

(ঘ) ওপৰৰ এগৰাকীও নহয়

১৮। বুশ্বেৰ ক’ত অৱস্থিত?

(ক) পাৰস্যত

(খ) নেপালত

(গ) ভাৰতত

(ঘ) আফ্ৰিকাত

১৯। ‘মাড লডিং’ শব্দটো কিহৰ সৈতে জড়িত?

(ক) কয়লা খনন

(খ) তেল খনন

(গ) মাটি খনন

(ঘ) শিল খনন

২০। ইৰাণীসকলৰ ব্যৱহাৰ কেনেধৰণৰ?

(ক) নম্ৰ আৰু ভদ্ৰ

(খ) অহংকাৰী

(গ) অসংযত

(ঘ) অতি বেয়া

২১। 'আগা' শব্দটোৰ অৰ্থ হ'ল

(ক) শ্ৰীযুত

(খ) আগুৱাই যোৱা

(গ) উপাধি

(ঘ) গাড়ী

২২। বুশ্বেৰ চহৰখন

(ক) ডাঙৰ

(খ) সৰু

(গ) লেতেৰা

(ঘ) পৰিষ্কাৰ

২৩। 'মাই লেফট ফুট' পুথিখনৰ মূল লেখক কোন?

(ক) কাৰ্ল মাৰ্ক্স

(খ) ক্ৰিষ্টি ব্ৰাউন

(গ) সত্যনাথ বৰা

(ঘ) কীটছ

২৪। পীটাৰে কি কাম এৰি ৰাজমিস্ত্ৰী হৈছিল?

(ক) স্কুল এৰি

(খ) কলেজ এৰি

(গ) ঘৰ এৰি

(ঘ) চহৰ এৰি

২৫। ‘ৰান্ধনি’ শব্দটোৰ পুংলিঙ্গ হৈছে

(ক) কাৰিকৰ

(খ) ৰন্ধন

(গ) ৰান্ধনি

(ঘ) ওপৰৰ এটাও নহয়

২৬। ‘যাৰ ঘৰ নাই’ বাক্যটোৰ অৰ্থ হৈছে

(ক) অনাই বনাই ঘূৰি ফুৰা

(খ) বিদেশী

(গ) দেশী

(ঘ) অঘৰী

২৭। ‘জিকিৰ’ কোনে ৰচনা কৰিছিল?

(ক) শংকৰদেৱ

(খ) আজান ফকিৰ

(গ) মাধৱদেৱ

(ঘ) আব্দুল মালিক

২৮। ‘আচমান’ শব্দৰ অৰ্থ কি?

(ক) আকাশ

(খ) বতাহ

(গ) চন্দ্ৰ

(ঘ) বেলি

২৯। 'মই অসমীয়া' কবিতাটোৰ কবি কোন?

(ক) নৱকান্ত বৰুৱা

(খ) চৈয়দ আব্দুল মালিক

(গ) আজান ফকিৰ

(ঘ) হীৰেন ভট্টাচাৰ্য

৩০। বৰগীতসমূহ কি ভাষাত ৰচিত?

(ক) কামৰূপী

(খ) বাংলা

(গ) উড়িয়া

(ঘ) ব্ৰজাৱলী

## **Section—B / বিভাগ—খ**

( *মূল্যাংক* : ১২ )

তলৰ পাঠ্যাংশ পঢ়ি প্ৰশ্নবোৰৰ উত্তৰ লিখা : ২×৬=১২

উন্নতি কৰাই মনুষ্য জীৱনৰ লক্ষ্য হোৱা উচিত। কিছুমান মানুহে ভাবে যে ভাত-কাপোৰ যুগুত কৰাই উন্নতিৰ শেষ সীমা। সেইবাবে অভাৱ থাকে মানে তেওঁলোকে উন্নতিৰ চেষ্টা কৰে আৰু অভাৱ আঁতৰিলেই তাৰ চেষ্টা এৰে। ভাত-কাপোৰৰ অভাৱ পূৰ হোৱাৰ পিছত তেওঁলোকে খাই শুই পশুৰ নিচিনা জীৱন নিয়ায়। তেওঁলোকৰ আৰ্হি ল'লে সভ্যতাৰ ইমান উন্নতি নহ'লহেঁতেন। প্ৰকৃততে উন্নতিৰ কোনো নিৰ্ধাৰিত সীমা নাই। আদিৰ পৰা উন্নতিৰ পথত চলিও মানুহে উন্নতিৰ শেষ পোৱা নাই আৰু ভৱিষ্যতেও নাপাব। ভাত-কাপোৰৰ সঙ্গতিতে চেষ্টা শেষ নকৰি বাধা-বিঘিনি নেওচি জীৱনৰ শেষলৈ উন্নতি কৰিবলৈ চেষ্টা কৰি থাকিব লাগে।

৩১। মনুষ্য জীৱনৰ লক্ষ্য কি হোৱা উচিত?

*অথবা*

কিছুমান মানুহে উন্নতিৰ শেষ সীমা কি বুলি ভাবে?

৩২। এচাম মানুহে ভাত-কাপোৰৰ অভাৱ পূৰ হোৱাৰ পিছত কেনেকৈ জীৱন কটায়?

*অথবা*

উন্নতিৰ সীমা কি?

৩৩। 'মনুষ্য' আৰু 'সভ্যতা' শব্দ দুটাৰ অৰ্থ কি?

*অথবা*

জীৱনৰ শেষলৈ কিদৰে উন্নতি কৰাৰ চেষ্টা কৰিব লাগে?

৩৪। কিহৰ অভাৱ পূৰ হ'লে মানুহে এলেহুৱা জীৱন আৰম্ভ কৰে?

৩৫। পাঠটোৰ মাজেৰে কি ভাৱ প্ৰকাশ কৰিবলৈ বিচাৰিছে?

৩৬। পাঠ্যাংশৰ এটা উপযোগী নাম/শীৰ্ষাংশ দিয়া।

## SECTION—C / বিভাগ—গ

( *মূল্যাংক* : ১৮ )

৩৭। টেহৰাণৰ প্ৰাকৃতিক অৱস্থাৰ বিষয়ে লিখা। ৩

*অথবা*

বৰগীতৰ তিনিটা বৈশিষ্ট্য উল্লেখ কৰা।

৩৮। ভাৰতীয় সংস্কৃতিক কিয় জীৱন্ত সংস্কৃতি বোলা হয়? ৩

*অথবা*

মোগলসকলে অসম আক্ৰমণ কিয় কৰিছিল?

৩৯। ‘ৰছুল’ আৰু ‘মোমিন’ শব্দ দুটাৰ অৰ্থ কি? ৩

*অথবা*

‘জিকিৰ’ কি? চমুকৈ লিখা।

৪০। ‘হেজাৰী ঘোষা’ কোনখন? গ্ৰন্থখনক ‘হেজাৰী ঘোষা’ বোলাৰ কাৰণ কি? ৩

৪১। বাক্য-ৰচনা কৰা : ৩

আকাশত চাং পতা ; আলাসৰ লাড়ু ; হাতলৰ।

৪২। লিঙ্গ পৰিৱৰ্তন কৰা : ৩

পুৰুষ ; মাষ্টৰ ; বুঢ়া।

## SECTION—D / বিভাগ—ঘ

( *মূল্যাংক* : ২০ )

৪৩। তোমাৰ পাঠ্যৰ বৰগীতটিৰ মূলভাৱ লিখা। ৫

*অথবা*

‘মই অসমীয়া’ কবিতাটোৰ সাৰাংশ লিখা।

৪৪। ভাৰতীয় ভাস্কৰ্য আৰু শিল্পকলাৰ বিষয়ে চমুকৈ লিখা। ৫

*অথবা*

ইৰাণৰ ইতিহাসৰ বিষয়ে চমুকৈ লিখা।

৪৫। ‘দা প্ৰিজন ৰাল’ *নাইবা* ‘ক্লিছেচ এণ্ড চিজাৰ’ পাঠটোৰ মূল কথাখিনি সৰল ভাষাত লিখা। ৫

৪৬। ‘ৰাইজে নখ জোকাৰিলে নৈ বয়।’

আপ্তবাক্যটোৰ আধাৰত এটি গল্প লিখা। ৫

*অথবা*

তোমাৰ বন্ধুলৈ তোমাৰ অঞ্চলৰ প্ৰাকৃতিক পৰিবেশৰ বৰ্ণনা দি এখন চিঠি লিখা। (তোমাৰ নাম আৰু ঠিকনা উল্লেখ নকৰিবা)

★ ★ ★